জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৯১/২০২১

# বিশিষ্ট সাহিত্যিক, চিন্তাবিদ ড° অনিমা গুহৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৯ জুলাই ঃ** বিশিষ্ট সাহিত্যি, চিন্তাবিদ ড° অনিমা গুহৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ড° অনিমা গুহৰ বিয়োগত ৰাজ্যখনে বৌদ্ধিক দিশৰ এগৰাকী উজ্জ্বল নক্ষত্ৰক হেৰুৱালে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বিশিষ্ট চিন্তাবিদগৰাকীয়ে কেইবাখনো গ্ৰন্থ ৰচনা কৰি ৰাজ্যখনৰ সাহিত্যৰ ভঁৰাল চহকী কৰি গৈছে। তদুপৰি, বিভিন্ন সংবাদপত্ৰটো বিভিন্ন বিষয়ৰ নিৰন্ধ লেখি তেখেতে বৌদ্ধিক দিশত অৰিহণা যোগাই গৈছে। এইগৰাকী বিশিষ্ট চিন্তাবিদ তথা সাহিত্যিকৰ বিয়োগ আমাৰ ৰাজ্যখনৰ বাবে এক অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ড° অনিমা গুহৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বংভাঃ / পুঃডেঃ**
**২৯/০৭/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in